# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাষ্ট্ৰপতি ডিলমা ৰোউঝেফৰ বৈঠকৰ প্ৰেছ বিজ্ঞপ্তী ।

জুলাই ১৬,২০১৪

ষষ্ঠ ব্ৰিক্স(বিআৰআইচিএচ)শীৰ্ষ সন্মিলনৰ শেষৰ ফালে ব্ৰাজিলিয়াত ব্ৰাজিলৰ ৰাষ্ট্ৰপতি ডিলমা ৰোউঝফেয়ে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীক অতিথি ৰূপে গ্ৰহন কৰে ।যদিও প্ৰধান মন্ত্ৰী গৰাকীৰ এই ভ্ৰমন কোনো দ্বিপাক্ষীক ভ্ৰমন নাছিল তৎস্বতেও ব্ৰাজিলৰ ৰাষ্ট্ৰপতি ৰোউঝফে ৰাতিপুৱাৰ আহাৰৰ মেজত অনুষ্ঠিত হবলগীয়া বৈঠকৰ পূৰ্বে এক বিশেষ ইংগিত প্ৰদৰ্শন কৰি প্ৰধানমন্ত্ৰী মোদীক সম্পূৰ্ণ সেনা চেলুটৰে সন্মান প্ৰদৰ্শন কৰি ৰাজপ্ৰসাদলৈ আগবঢ়াই নিয়ে ।

ফিফা বিশ্ব কাপ অনুষ্ঠিত কৰাৰ যোগেদি সমগ্ৰ বিশ্বক ব্ৰাজিলৰ উত্তম সাংগাঠনিক নিপুনতা আৰু উন্নত অতিথি পৰায়নতাক প্ৰদৰ্শন কৰাৰ বাবে প্ৰধান মন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰপতি ৰোউঝফেক আৰু ব্ৰাজিলৰ জনসাধাৰনলৈ উন্নতাৰে অভিনন্দন জ্ঞাপন কৰে ।তেওঁ ৰাষ্ট্ৰপতি ৰোউঝফেক ব্ৰিক্স (বিআৰআইচিএচ) শীৰ্ষ সন্মিলন অতি সুকলমে পৰিচালিত কৰাৰ বাবে আৰু ইয়াৰ সফলতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে ।বিশেষকৈ দক্ষিন আমেৰিকাৰ নেতা সকলৰ সৈতে ব্ৰিক্সৰ বৈঠক অনুষ্ঠিত কৰাৰ আয়োজন কৰাৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰপতি গৰাকীক ধন্যবাদ জনাই ।

তেওঁ ব্ৰাজিলে আয়োজিত কৰা ষষ্ঠলানি ব্ৰিক্স(বিআৰআইচিএচ)শীৰ্ষ সন্মিলনক ঐতিহাসিক বুলি উল্লেখ কৰি কয় যে এই শীৰ্ষ সন্মিলনে দুটা গুৰুত্বপূৰ্ণ চুক্তিৰ উদ্ভৱ কৰে আৰু সেই কেইটা হল – নতুন বিকাশ বেঙ্ক আৰু ব্ৰিক্স কন্টিনজেন্ট ৰিৰ্জাভ এৰেঞ্জমেন্ট । প্ৰধানমন্ত্ৰী গৰাকীয়ে শীৰ্ষ সন্মিলন কালত ৰাষ্ট্ৰপতি গৰাকীৰ নেতৃত্বক ভূয়সী প্ৰশংসা কৰে ।

ব্ৰাজিলক ভাৰতৰ এক মুখ্য গোলকীয় অংশীদাৰ বুলি প্ৰধান মন্ত্ৰী গৰাকীয়ে উল্লেখ কৰে । তেওঁ উল্লেখ কৰে যে  দুখন গণন্ত্ৰত আৰু মুখ্য বিকশিত অৰ্থনীতি- ভাৰত আৰু ব্ৰাজিল মাত্ৰ যে দ্বিপাক্ষীক সহযোগিতাৰ বাবে এক বৃহৎ সম্ভাৱনাপূৰ্ণ থকা দেশ সেয়ে নহয় আন্তৰ্জাতিক মঞ্চত পৰস্পৰে পৰস্পৰৰ বাবে শক্তিশালি অংশীদ্বাৰ আৰু উন্নয়নমুলক বিশ্বত নিজ দেশৰ গুৰুত্বপূৰ্ণ বিষয়সমূহক কঢ়িয়াই নিয়াৰ অৰ্থেও দুয়োদেশৰ অংশীদাৰিত্ব উল্লেখনীয় । তেওঁ এইটোও উল্লেখ কৰে যে ব্ৰাজিলৰ সৈতে ভাৰতৰ অৰ্থনৈ্তিক সম্পৰ্কক স্থাপন কৰাত গুজৰাটৰ ভূমিকা উল্লেখনিয় ।

ৰাষ্ট্ৰপতি ৰোউঝফে দৃঢ়তাৰে মন্তব্য কৰে যে দুয়োখন দেশৰ দ্বিপাক্ষীক সহযোগিতা আৰু তেওঁলোকৰ অংশীদাৰিত্বৰ আৰ্ন্তৰাষ্ট্ৰীয় গুৰুত্বতাৰ বাবে ব্ৰাজিলৰ বিদেশ নীতিত ভাৰতৰ সৈতে থকা এই সম্বন্ধৰ এক বিশেষ স্থান আছে । তেখেতে প্ৰধানমন্ত্ৰী গৰাকীক নিৰ্বাচন কালত লাভ কৰা অতি আৰ্কষিত বিজয়ৰ বাবে অভিনন্দন জনাই আৰু তেওঁক ভাৰতৰ প্ৰগতি আৰু উন্নতিৰ বাবে শুভেচ্ছা আগবঢ়াই ।

দুয়োদেশ বহু দূৰত্বত অৱস্থান কৰা স্বত্তেও দুয়োখন দেশৰ মাজত দীৰ্ঘকাল ধৰি বৰ্তী অহা ঐতিহাসিক আৰু সাংস্কৃতিক সম্পৰ্কৰ বিষয়ে দুয়োগৰাকী নেতাই স্মৰণ কৰে ।এইবোৰৰ ভিতৰত ১৮ শতিকা আৰু ১৯ শতিকাত গিৰৰ গাই গৰু ভাৰতৰ পৰা ব্ৰাজিললৈ নিয়া, ভাৰতৰ পৰা ব্ৰাজিললৈ নিয়া বস্ত্ৰ সামগ্ৰী আৰু ফলমুল আদি অৰ্ন্তভূক্ত ।

দুয়োগৰাকী নেতাই কৃষি ক্ষেত্ৰত,দুগ্ধ সামগ্ৰীত,বিজ্ঞান আৰু কনভেনশ্বনেল আৰু ৰিনিউৱেবল শক্তি বিষয়ত মহাকাশ গৱেষনা আৰু ইয়াৰ ব্যৱহাৰ,ৰক্ষা চাইবাৰৰ সুৰক্ষা আৰু পাৰিপাৰ্শ্বিকতাৰ সংৰক্ষন ক্ষেত্ৰ সমুহত বানিজ্য আৰু বিনিয়োগ বৰ্দ্ধন কৰাৰ লক্ষ্যৰে আৰু এই বিষয় সমুহ দুয়োদেশৰ মাজৰ সম্পৰ্ক গভীৰতৰ কৰাৰ বাবে দুয়োগৰাকী নেতাই ব্যৱস্থা গ্ৰহনৰ অৰ্থে

সন্মতি গ্ৰহন কৰে । জি -২০ কে ধৰি আৰ্ন্তজাতিক মঞ্চত আৰু বহুমুখীয় অনুষ্ঠান সমুহত তেওঁলোকৰ সহযোগিতা ক্ষীপ্ৰতৰ কৰি তুলিবলৈ দুয়োগৰাকী নেতাই ঐক্যমত গ্ৰহন কৰে । জি-৪ দেশ সমুহৰ এগৰাকী নেতা হিচাপে প্ৰধানমন্ত্ৰী মোদী আৰু ৰাষ্ট্ৰপতি ৰোউঝফেয়ে ২০১৫ চনত অনুষ্ঠিত হব লগীয়া ইউ এনৰ ৭০ তম বৰ্ষপুতিৰ ভিতৰত সুৰক্ষা পৰিষদক অৰ্ন্তভুক্ত কৰি যুক্তৰাষ্ট্ৰৰ পুণৰগঠনৰ সম্পৰ্কে অগ্ৰগতি লাভ কৰাৰ বাবে আহ্বান জনায় ।

প্ৰধানমন্ত্ৰী মোদীয়ে আশা প্ৰকাশ কৰে যে অতি সোনকালে সম্পূৰ্ণ দ্বিপাক্ষীক ভ্ৰমণৰ কাৰ্য্যসূচীৰে তেওঁ ব্ৰাজিল ভ্ৰমণলৈ পুনৰ আহিব আৰু ৰাষ্ট্ৰপতি ৰোউঝফেক ভাৰত ভ্ৰমণৰ বাবে আমন্ত্ৰন জনাই ।

তেওঁলোকৰ বৈঠক কালত দুয়ো গৰাকী নেতাই তিনি খন চুক্তি স্বক্ষৰ কৰে :

. পাৰিপাশ্বিকতা ক্ষেত্ৰত সহযোগিতাৰ অৰ্থে বুজাপৰাৰ চুক্তি

. ভাৰতৰ ৰিমোট চেনচিঙ উপগ্ৰহৰ পৰা তথ্য গ্ৰহন কৰা প্ৰচেচ কৰাৰ অৰ্থে ব্ৰাজিলৰ পৃথিৱী ষ্টেচন এটাৰ মেৰামতীৰ বাবে সহযোগিতা স্থাপনৰ যা-যোগাৰ কৰাৰ বিষয়টো কাৰ্য্যকৰী কৰা ।

. মোবাইলেটে আৰু কনচুলাৰ বিষয় সমুহৰ ক্ষেত্ৰত পৰামৰ্শমুলক প্ৰক্ৰিয়া স্থাপনৰ সহযোগিতাৰ বুজাপৰাৰ চুক্তি ।

ব্ৰাজিলিয়া,

১৬ জুলাই ২০১৪